
বৰ্ষ ১১, সংখ্যা ১১, ডিচেম্বৰ, ২০২১ RNI-ASSASS/2011/37923 ISSN-2231-0517

# স্বৰ্ণলিপি

Vol 11 ■ Issue 11 ■ SWARNALIPI ■ December 2021, Guwahati



## জ্ঞানপীঠ বঁটাবিজয়ী যুগদ্ৰষ্টা কবি নীলমণি ফুকন ঃ জীৱন আৰু কবিতা



## দীননাথ শৰ্মাৰ চুটিগল্প, উপন্যাস, জীৱন সংগ্ৰাম, সৃষ্টি আৰু তাড়না

Postal RN GH/134/2020-2022

₹ 50/-

Vol 11 ▪Issue 11▪ SWARNALIPI ▪ DECEMBER, 2021 RNI REG NO.ASSASS/2011/37923 ▪ ISSN-2231-0517 ▪ Postal RN GH/134/2020-2022

DAVP, Govt. of India & IPRD, Govt. of Assam Approved

# Swarnalipi

Literary & Socio-Cultural Monthly Research Journal in Assamese

Swarnalipi Bhawan, 36 Mon Akashi Path, Jyoti Nagar
Guwahati-781021, Ph-99571-85835
Email: swarnalipi2011@gmail.com
Facebook Page : swarnalipi
Facebook Public Group : Swarnalipi
Facebook Private Group: Swarnalipi Literary Group

Website: **www.swarnalipi.com**

# স্বৰ্ণলিপি

সাহিত্য সমাজ সংস্কৃতি গৱেষণাধৰ্মী আলোচনী

বৰ্ষ ১১■ সংখ্যা ১১ ■ ডিচেম্বৰ, ২০২১

## সূ চী প ত্ৰ

৫ সম্পাদকীয় ■ যুগদ্ৰষ্টা কবি নীলমণি ফুকন

### ধাৰাবাহিক উপন্যাস

৪৬ জোনাকী কাৰেং■ ডঃ পৰাগ কুমাৰ ভট্টাচাৰ্য
৫০ জীৱন জ্যামিতিৰ দিনলিপি■ বেণুপ্ৰভা হাজৰিকা
৫৪ বানবাগিচা বাছষ্টেণ্ড ■ ৰাজীৱ কুমাৰ ফুকন
৫৭ তেখাও লেইমা■ কৃষ্ণ শইকীয়া

### ধাৰাবাহিক উপন্যাসোপম ৰচনা

৬০ দেউতা■ ডঃ জ্যোতিপ্ৰসাদ শইকীয়া

### গৱেষণা-পত্ৰ

২৮ দীননাথ শৰ্মাৰ উপন্যাসত নাৰীচৰিত্ৰ ঃ এটি আলোচনা■ ৰূপাঞ্জলী চেতিয়া
৩৬ দীননাথ শৰ্মাৰ 'দুলাল' আৰু 'মাকৰ চেনেহ' ■ পিংকুমণি দেউৰী
৪০ দীননাথ শৰ্মাৰ গল্পত নাৰীৰ মানসিক অৱস্থাৰ চিত্ৰণ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন■ সোণালী ডেকা
৪৩ দীননাথ শৰ্মাৰ চুটিগল্প ঃ এক চমু অৱলোকন■ জোনমণি দাস

### কবিতা

৩৪-৩৫
গাৰ্গী ভূঞা, মঞ্জুলী ৰাহাঙ, ডঃ লিপি ফুকন

### প্ৰচ্ছদ-বিশেষ (গৱেষণালব্ধ)

৭ জ্ঞানপীঠ বঁটাবিজয়ী কাব্যঋষি নীলমণি ফুকন ঃ জীৱন আৰু কবিতা ■ ডঃ ৰুবী বৰা
১৩ দীননাথ শৰ্মাৰ উপন্যাসত প্ৰজন্মগত ব্যৱধানৰ চিত্ৰ ■ ঊষা দাস
১৮ নীৰৱ সাহিত্যিক দীননাথ শৰ্মা ঃ জীৱন সংগ্ৰাম আৰু সৃষ্টিৰ তাড়না ■ ডঃ ভৱৰঞ্জন শৰ্মা
২৪ গল্পকাৰ দীননাথ শৰ্মাৰ পৰিৱেশ চিত্ৰণৰ দক্ষতা ■ অৰ্ণৱ শৰ্মা

### অহা সংখ্যাত

।। ভাওনাৰ বিষয়বস্তু, কাহিনী, ভাষা ঃ এটি অধ্যয়ন ; লুম্মেৰ দাইৰ চুটিগল্প ঃ এক বিশ্লেষণাত্মক আলোচনা।। ।। লগতে নিয়মীয়া শিতানসমূহ ।।

ব্যৱস্থাপনা ঃ অংশুমান গগৈ
শব্দগ্ৰন্থন ঃ নিৰঞ্জন শৰ্মা
বিজ্ঞাপন সচিব ঃ ধৰিত্ৰী গোস্বামী

হৃদয়ানন্দ গগৈৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Printed published and owned by Hridayananda Gogoi and Printed at Swarnalipi Offset Press, Swarnalipi Bhawan, 36 Mon Akashi Path, Jyoti Nagar, Bamunimaidam,Guwahati-781021, and published at 36 Mon Akashi Path, Jyoti Nagar, Bamunimaidam, Guwahati-781021.
Ph: 9957185835,
Email: swarnalipi2011@gmail.com
**Chief Editor : Hridayananda Gogoi**

Scanned with CamScanner



# দীননাথ শৰ্মাৰ উপন্যাসত প্ৰজন্মগত ব্যৱধানৰ চিত্ৰ

▶▶উষা দাস

প্ৰজন্মগত ব্যৱধান এনে এক বিষয়-যিটো সকলো সমাজ, সকলো সংস্কৃতি আৰু সকলো কালৰ মাজতে পৰিলক্ষিত। এটা প্ৰজন্মৰ লগত আন এটা প্ৰজন্মৰ মূল্যবোধ, চিন্তাধাৰা, বিশ্বাস, ৰীতি-নীতি, সাজ-পোচাক, খাদ্যাভাস, ৰুচি-অভিৰুচি আদিৰ ক্ষেত্ৰত যি পাৰ্থক্য আহি পৰে আৰু এই পাৰ্থক্যই ব্যক্তিমনত যি সংঘাতৰ সৃষ্টি কৰে- সেয়াই প্ৰজন্মগত ব্যৱধান। Oxford English Dictionary-ৰ মতে-a differeence in attitudes between people of different generations, leading to lack of understanding. Mohamed Buheji -ৰ মতে A generation gap is the difference of mindset between one generation and the other, which influence their assumtions, perceptions, paradigms, attitudes, behaviours and reflections. Such gap influence also their beliefs and values.

প্ৰজন্মগত ব্যৱধানৰ আঁৰত ৰাজনৈতিক, সামাজিক আৰু মনস্তাত্ত্বিক কাৰণ নিহিত হৈ থাকে। প্ৰজন্মগত ব্যৱধানে ব্যক্তিমনত নেতিবাচক প্ৰভাৱ পেলালেও সভ্যতাৰ অগ্ৰগতিত ইয়াৰ বিশেষ ভূমিকা থাকে। কিয়নো প্ৰাচীন আৰু নতুনৰ দ্বন্দ্বৰ মাজেদিয়েই সমাজৰ

সম্পাদকৰ টোকা ঃ

*আৱাহন যুগৰ যশস্বী গল্পকাৰ, ঔপন্যাসিক, জীৱন-সাধক দীননাথ শৰ্মাৰ চৰ্চা কিম্বা আলোচনা বৰ সঘনে চকুত নপৰে। অতুলনীয় দক্ষতা আৰু অসামান্য প্ৰতিভাৰে নীৰৱে এইগৰাকী লেখকে অসমীয়া সাহিত্যৰ ভঁৰাল অপৰিসীমভাৱে অনন্য সম্ভাৰেৰে উপচাই থৈ গৈছে। তেখেতৰ বিষয়, ৰচনা-ৰীতিত স্বকীয়তা বিৰাজমান। সমাজ আৰু জীৱন তেখেতৰ উপজীব্য। আনে সহজে লক্ষ্য নকৰা বিষয়কো তেখেতে বুটলি আনি যথাযথ উপস্থাপন কৰে।*

*এইগৰাকী মহান লেখকৰ জীৱন, সৃষ্টি, সাধনা বৈচিত্ৰ্যৰ অৱলোকন কৰিবলৈকে আমি এই সংখ্যাত কেইটিমান বিশেষ লেখা আগবঢ়াইছোঁ।*

ৰূপান্তৰ সম্ভৱ হয়। পুৰণি আৰু নতুনৰ দ্বন্দ্বত নতুনৰেই জয় ঘোষিত হয়। নতুন দিনৰ ন-বাৰ্তাৰে সমাজ আগবাঢ়ে। এই গতিশীলতাই সমাজ বিপ্লৱৰ সূচনা কৰে।

আধুনিক সমাজৰ ব্যাপিত পৰিণত হোৱা প্ৰজন্মগত ব্যৱধানৰ ধাৰণাটো ৬০-ৰ দশকৰ পৰা পশ্চিমীয়া সমাজলৈ আহিছে। অৱশ্যে এতিয়া ই কেৱল পশ্চিমীয়া দেশৰে সমস্যা হৈ থকা নাই-সমগ্ৰ বিশ্বজুৰি সম্প্ৰসাৰিত হৈ পৰিছে। সমাজবিজ্ঞানত কুৰি শতিকাৰ পিছৰ প্ৰজন্মসমূহক এইদৰে ভাগ কৰা হৈছে-

১৯০১-১৯২৭-বৃহৎ প্ৰজন্ম ( greatest generation)

১৯২৮-১৯৪৫ -নীৰৱ প্ৰজন্ম ( silent generation)

১৯৪৬-১৯৬৪ -বিশ্বযুদ্ধৰ পৰৱৰ্তী প্ৰজন্ম (baby boomers)

১৯৬৫-১৯৮০ -এক্স প্ৰজন্ম (generation X) ;

১৯৮১-১৯৯৬-সহস্ৰাব্দৰ প্ৰজন্ম (millennials)

১৯৯৬-২০১২-ইন্টাৰনেট যুগৰ প্ৰজন্ম (Infernet generation)

১৯৪৬-১৯৬৪ -চনৰ ভিতৰত জন্মা শিশুসকল বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ত জন্মা শিশু। Baby boomers হিচাপে পৰিচিত এই প্ৰজন্মটোৰ পৰাই generation gap বা প্ৰজন্মগত ব্যৱধান অভিধাটো জনপ্ৰিয় হৈ পৰিল। প্ৰজন্মগত ব্যৱধান প্ৰতিটো যুগৰে এক স্বাভাৱিক বৈশিষ্ট্য যদিও , বিশ্বযুদ্ধৰ পূৰ্বৱৰ্তী সময়ত ইয়াৰ প্ৰভাৱ গভীৰ নাছিল নতুবা বিষয়টোৱে এক সামাজিক সমস্যালৈ ৰূপান্তৰিত হোৱা নাছিল। মহাযুদ্ধৰ পূৰ্বৰ সমাজ আছিল গতিহীন সমাজ। একঘেয়ামী স্থিতিশীল সমাজত প্ৰজন্মগত ব্যৱধান গভীৰ নহয়। কিন্তু দ্বিতীয় মহাযুদ্ধই সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰিলে। বিজ্ঞানৰ অভূতপূৰ্ব উন্নতি, মনোবৈজ্ঞানিক চিন্তা-চেতনাৰ অগ্ৰগতি, নগৰীকৰণ, উদ্যোগীকৰণ, যৌথ পৰিয়াল ব্যৱস্থাৰ অৱসান-আদিয়ে সমাজক ক্ৰমান্বয়ে নিত্য-নতুন ৰূপ প্ৰদান কৰে। পৰিৱৰ্তিত পৰিস্থিতিত মানুহৰ নৈতিক মূল্যবোধো সলনি হ'ল। এনে এক পৰিস্থিতিত জন্মা শিশুবোৰো সুকীয়া চিন্তাধাৰাৰে পৰিচালিত হ'ল। প্ৰযুক্তিবিদ্যাৰ কৃপাধন্য নতুন প্ৰজন্মটোৰ লগত স্বাভাৱিকতে আগৰ প্ৰজন্মটোৰ এক বিৰাট ব্যৱধান আহি পৰিল। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ন-ন উদ্ভাৱনে বিভিন্ন ঠাইৰ মাজত থকা ভৌগোলিক ব্যৱধান কমাই পেলায়। ৯০-ৰ দশকত সমগ্ৰ বিশ্বখনেই এখন গোলকীয় গাঁওলৈ ৰূপান্তৰিত হ'ল। ভৌগোলিক ব্যৱধান কমি অহাৰ সমান্তৰালভাৱে বিভিন্ন প্ৰজন্মৰ মাজত থকা মানসিক দূৰত্বও ক্ৰমান্বয়ে বহল হৈ গৈ থাকিল।

গতিশীল প্ৰযুক্তি নিৰ্ভৰ সমাজত প্ৰজন্মগত ব্যৱধান সাধাৰণ কথা যদিও এই ব্যৱধানে ব্যক্তি মনলৈ কঢ়িয়াই অনা যন্ত্ৰণাও কম উপেক্ষণীয় নহয়। প্ৰজন্মগত ব্যৱধানত সাধাৰণতে নতুন প্ৰজন্মৰে জয় ঘোষিত হয়। পৰাজয়ৰ গ্লানিয়ে পূৰ্বৱৰ্তী প্ৰজন্মক বেদনাহত কৰি বৃদ্ধ অৱস্থাত জীৱনৰ প্ৰতি এক নেতিবাচক ধাৰণা গঢ় লৈ উঠাৰ মূলতে হ'ল প্ৰজন্মগত ব্যৱধান। প্ৰজন্মগত ব্যৱধানে বাৰ্দ্ধক্যক অসহনীয় কৰি তোলে। বৃদ্ধ অৱস্থাৰ এই হতাশা, নিসংগতাক সুন্দৰভাৱে অনুধাৱন কৰিব পাৰি সাহিত্যৰ মাজত। কিয়নো সাহিত্যই হৈছে সমাজৰ নিভাঁজ প্ৰতিচ্ছবি।

উপন্যাস সাহিত্যত প্ৰজন্মগত ব্যৱধানৰ ছবি অতি বাস্তৱসন্মতভাৱে ৰূপায়িত হৈ উঠে। কিয়নো জীৱনৰ সমস্যাবোৰৰ বহল ৰেখাংকন উপন্যাসৰ পাততহে সম্ভৱ হয়। প্ৰজন্মগত ব্যৱধানক লৈ বিশ্বত অনেক উৎকৃষ্ট উপন্যাসৰ সৃষ্টি হৈছে। এনে উপন্যাসবোৰৰ ভিতৰত ৰুচ সাহিত্যিক আইভান টুৰ্গেনিভৰ ' Father and Son ' আমেৰিকান সাহিত্যিক পাৰ্ল বাকৰ 'The Good Earth', প্ৰখ্যাত মালয়ালম সাহিত্যিক ও. ভি. বিজয়নৰ 'থালামুৰাকাল', বাংলা সাহিত্যিক আশাপূৰ্ণা দেৱীৰ 'শশীবাবুৰ সংসাৰ'-আদি উপন্যাসলৈ আঙুলিয়াব পাৰি। অসমীয়া সাহিত্যতো প্ৰজন্মগত ব্যৱধানৰ আধাৰত ভালেখিনি গল্প-উপন্যাসৰ সৃষ্টি হৈছে। উপন্যাসৰ ক্ষেত্ৰত পোনতেই নাম লোৱা হয় হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' (১৯৭৫) আৰু 'অস্তৰাগ' (১৯৮৬) নামৰ উপন্যাস দুখনলৈ। প্ৰজন্মগত ব্যৱধানক শৈল্পিক ৰূপ প্ৰদান কৰাত আৱাহন যুগৰ যশস্বী কথাশিল্পী দীননাথ শৰ্মাৰ দক্ষতাও অতুলনীয়। তেওঁৰ 'নদাই' (১৯৫০) আৰু 'ভৰলীপাৰৰ কাহিনী' (১৯৮০) প্ৰজন্মগত ব্যৱধানৰ আধাৰতে ৰচিত উপন্যাস।

শৰ্মাৰ 'নদাই'-ত যুগ পৰিৱৰ্তনৰ স্বাক্ষৰ আছে। মানুহৰ মানসিক গঠনত, চিন্তা-চেতনাৰ আঁৰত যে যুগ চেতনা নিহিত হৈ আছে, তাক এক বিশাল পটভূমিত অজস্ৰ সৰু-বৰ কাহিনীৰ মাজেদি উপস্থাপন কৰা হৈছে। উপন্যাসখনৰ নায়ক নদাই পৰম্পৰাগত গ্ৰাম্য অসমীয়া কৃষিজীৱি সমাজখনৰ প্ৰতিভূ। কেউ-কিছু নোহোৱা নদাই আনৰ ঘৰত হালোৱা হৈ জীৱন নিৰ্বাহ কৰিছিল। লিখা-পঢ়া নাজানিলেও নদাই তীব্ৰভাৱে আত্মসচেতন আৰু সংবেদনশীল। মাটিৰ সৈতে তাৰ প্ৰগাঢ় আত্মীয়তা। এই আত্মীয়তাৰ বাবেই কৰ্মঠ, কষ্টসহিষ্ণু নদায়ে হাবি ভাঙি


Scanned with CamScanner

মাটি উলিয়াই পত্নী নাদুকীৰ সহযোগত ধৰিত্ৰীক শস্যশ্যামলা কৰি তোলে। বুদ্ধি আৰু কৰ্মনিষ্ঠাৰ বলত সময় পাৰ হোৱাৰ লগে লগে নদাই এক বৃহৎ ভূ-সম্পত্তিৰ মালিক হৈ পৰে। সমাজত ধনী-মানী ব্যক্তি হিচাপে পৰিচিত হোৱা সত্ত্বেও নদায়ে মাটিৰ মোহ এৰিব নোৱাৰে। কৃষি-কৰ্মৰ মাজেদিয়েই জীয়াই থকাৰ আনন্দ বিচাৰি পায়-

"মাটি-বাৰী, ধন-সম্পত্তি তাৰ যথেষ্ঠ আছে। এইবোৰ সি উপাৰ্জন কৰিছে। কিন্তু এইবোৰৰ ওপৰত তাৰ ৰাগ বা অনুৰাগ নাই। সি মাটিত খেতি কৰে সৃষ্টিৰ কাৰণে, খেতি চপোৱাৰ আনন্দত। এই আনন্দ তাৰ বেলেগ,-ধনী হোৱাৰ, ধন ঘটাৰ আনন্দ নহয়। মাটিক সি মাকৰ দৰেভাল পায়,মাটিৰ গোন্ধত সি অনুভৱ কৰে জীৱন ৰসৰ আস্বাদ।" (পৃষ্ঠা-২৫৩)

সময় সলনি হয়। মাটিৰ অভাৱত হাবি ভাঙি মৰিসূতীৰ পাৰত পাম পাতি বাস কৰা নদাই -কলীয়াহঁতৰ মৰিসূতীলৈ পৰিৱৰ্তনৰ ঢল আহে। মৰিসূতীৰ শান্ত-সৌম্য ৰূপ, প্ৰাকৃতিক নিৰ্জনতা ভংগ হয়। মৈমনসিঙীয়া, নেপালীকে ধৰি বিভিন্ন মানুহেৰে মৰিসূতী পৰিপূৰ্ণ হৈ পৰে। জাহাজঘাট, বিভিন্ন চৰকাৰী অফিচ, বন বিভাগৰ অফিচ, ডাকঘৰ-আদিয়ে ঠাইখন মুখৰ কৰি ৰাখে। শিক্ষা-দীক্ষা, ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰ ঘটে। ভাৰতৰ স্বাধীনতা আন্দোলন, দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰত্যক্ষ-পৰোক্ষ প্ৰভাৱে মৰিসূতীৰ ৰূপ সলাই দিয়াই নহয়, মানুহৰ চিন্তাধাৰা, নৈতিক মূল্যবোধৰো পৰিৱৰ্তন আনে। নদাই বিস্মিত হৈ পৰে-

"মৰিসূতী আৰু এতিয়া অকলশৰীয়া নহয়। ইয়াৰ লগত পৃথিৱীৰ পুৰাদমে যোগাযোগ স্থাপিত হৈ গৈছে। ইয়ালৈ চিঠি-পত্ৰ আহে, ডাক বিলি হয়। মটৰ গাড়ী আহে-যাব, লৰী নানা তৰহৰ মটৰ গাড়ী। নদাইৰ বিস্ময় লাগে। এই অটব্য অৰণ্যখন চাওঁতে চাওঁতে কেনেকৈ জন-বসতি অঞ্চল হৈ পৰিল। আজিনো কেইদিনৰ কথা! সি অলপ বিৰক্তও হৈ পৰে।" (পৃষ্ঠা-২২৫)

নদাইৰ সন্তানেও আনুষ্ঠানিক শিক্ষা-দীক্ষা লাভ কৰে। সিহঁত ডাঙৰ হয় কোনো ধৰণৰ আৰ্থিক কষ্ট অনুভৱ নকৰাকৈ। যুগৰ বতাহে সিহঁতক স্পৰ্শ কৰে যাৰ বাবে মাটিৰ লগত সিহঁতৰ কোনো ধৰণৰ আত্মীয়তা গঢ়ি নুঠে। নদাইৰ ৰৰপুত্ৰ মোহনে দুবাৰকৈ মাইনৰ পৰীক্ষা দি ফেল কৰা স্বত্বেও হালৰ মুঠিত নধৰে। ধুবীয়ে ধোৱা কাপোৰ নহ'লে তাৰ নচলে। কোট-পেণ্ট পিন্ধি, চিগাৰেট খাই মোহন বেলেগ এখন পৃথিৱীৰ বাসিন্দা হৈ পৰে। ঠিকাৰ কাম, ধান কলৰ ব্যৱসায়- আদিৰ প্ৰতিহে মোহন আকৰ্ষিত হ'ল। বুদ্ধি-বৃত্তিত তীক্ষ্ণ দ্বিতীয় পুত্ৰ গোপালে কলিকতাত পঢ়া-শুনা কৰি গাঁৱলৈ আহিবৰ বাবেও লাজ পোৱা হ'ল। কলিকতাত পঢ়ি থাকোতেই মাক-দেউতাকৰ অনুমতি অবিহনে তাৰে ছোৱালী এজনীক বিয়া কৰাই চাহাবৰ দৰে থাকিল। মটৰ-গাড়ী কিনিবলৈ বাপেকৰ পৰা সি পোন্ধৰ হাজাৰ টকা বিচাৰিলে। দৰকাৰ হ'লে নিজৰ ভাগৰ মাটিখিনি বিক্ৰী কৰি দিবলৈ ক'লে। মাটিৰ মূল্য আৰু টকাৰ মূল্য একাকাৰ কৰি দিয়াত নদাই আহত হ'ল। তৃতীয় পুত্ৰ বিপ্লৱী ভৱতেও মাটি-বৃত্তিৰ প্ৰতি সামান্যতমো আকৰ্ষণ অনুভৱ নকৰিলে। নতুন দিনৰ ন-চিন্তাই নদাই ইমানখিনি মাটিৰ গৰাকী হৈ থকাটোৱেই ভুল বুলি প্ৰতিপন্ন কৰিলে। নদাইৰ দুখ-এটাও ল'ৰা তাৰ দৰে নহ'ল। বৰ জীয়েক মাকনৰ বিয়াখনো নদাইৰ ইচ্ছাৰ বিপৰীতে হ'ল। জোঁৱায়েক নন্দেশ্বৰ মদপী, চৰিত্ৰহীন, চোৰাং বেপাৰী। ঘৈণীয়েক নাদুকীয়ো ল'ৰা-ছোৱালীৰ পক্ষত। বয়স বাঢ়ি অহাৰ লগে লগে নদাইৰ মানসিক যন্ত্ৰণাও বাঢ়ি আহিল-

"আচলতে নদাই যেন ক্ৰমে অকলশৰীয়া হৈ পৰে। তাৰ ঘৈণীয়েক, ল'ৰা-ছোৱালী, জোঁৱাই- আটাইবোৰ তাৰ নিজৰ। অথচ সিহঁত যেন কিমান দূৰৰ। প্ৰাণৰ লগত সম্পৰ্ক তাৰ একো নাই। নগৰীয়া জীৱনৰ বতাহ লাগি তাৰ ঘৰখন, গাঁওখন সকলো আঁতৰি যায়। নগৰীয়া মানুহো যে কিমান আহে তাঁহাতৰ ঘৰলৈ, গাঁৱলৈ। এই মানুহবোৰৰ কথা-বতৰা বেলেগ, হাব-ভাৱ সুকীয়া, জীৱন যাপনৰ পদ্ধতি এক ৰকমৰ। ওঁহো, নদাইৰ লগত একেবাৰে নিমিলে। তাৰ ল'ৰা-ছোৱালী কিটাও সেই ফুটৰে হৈছে।" (পৃষ্ঠা-২৪৪)

নতুন যুগৰ নতুন চিন্তা-ভাৱনাবোৰৰ লগত খাপ খাব নোৱাৰি নদাই নিসংগতা আৰু বিচ্ছিন্নতাবোধৰ চিকাৰ হৈ পৰিল। নাদুকীৰ মৃত্যুৰ পিছত নদাইৰ জীৱনৰ প্ৰতি কোনো মোহ নোহোৱা হ'ল- আনকি মাটিৰ প্ৰতিও। ঘৰ -সংসাৰ এৰি সৰু জীয়েক মেনকা আৰু সংসাৰ বিৰাগী খুৰশালীয়েক কলীয়াৰ সৈতে তীৰ্থযাত্ৰালৈ গ'ল আৰু এই তীৰ্থযাত্ৰাতে নদাইৰ পাৰ্থিব শৰীৰ মাটিৰ লগত মিহলি হৈ গ'ল।

প্ৰজন্মগত এই সংঘাতৰ বাবে পুতেকহঁতকো জগৰীয়া কৰিব নোৱাৰি। সিহঁতৰ সময়ত সমাজৰ দ্ৰুতগতিত পৰিৱৰ্তন হৈছে। ধন ঘটাৰ ক্ষেত্ৰত নানা ধৰণৰ সহজলভ্য পথৰ সুগম হৈছে। নৈতিক-অনৈতিকৰ ধাৰণা নোহোৱা হৈ পৰিছে। সিহঁত যিখন সমাজত ডাঙৰ হৈছে তাত গা কৰি উঠিছে ভোগবাদী মানসিকতা। জীৱন ধাৰণৰ তাগিদাইহে নদাইক পথাৰৰ বুকুলৈ টানি আনিছিল। প্ৰকৃতিৰ শান্ত-সমাহিত ৰূপে , সমাজত বৰ্তি থকা নৈতিক মূল্যবোধে নদাইৰ ব্যক্তিত্বক গঢ় দিছিল। পুতেকহঁতে নদাইৰ মানসিক

অৱস্থাৰ প্ৰতি উদাসীন হোৱাৰ মূলতে যুগৰ প্ৰভাৱ, আধুনিক সভ্যতাৰ প্ৰভাৱ।

সমাজৰ পৰিৱৰ্তন অৱধাৰিত, তাক ৰোধ কৰিব নোৱাৰি। এই পৰিৱৰ্তনশীলতাই জগতৰ ৰীতি। সময়ৰ সোঁতত ব্যক্তি-সমাজ সকলো সলনি হৈ যায়। মানুহৰ দৈহিক ৰূপৰ পৰিৱৰ্তন হয়। সুন্দৰ-সুঠাম শৰীৰ পৰি আহে অৱক্ষয়ৰ পিনে। সমাজ পৰিৱৰ্তনৰ সমান্তৰালভাৱে ডেকা বয়সৰ সন্মান, প্ৰতিপত্তিও সময়-প্ৰবাহত হেৰাই যায়। উত্তৰ পুৰুষৰ নতুন চিন্তাধাৰাৰে সমাজ আগবাঢ়ে। পুৰণি চামে তাত স্থান নেপায়। তেওঁলোকৰ চিন্তাবোৰ, ধ্যান-ধাৰণাবোৰ আওপুৰণি হয়। নতুন চামে তাক গ্ৰহণ কৰাৰ কোনো যুক্তি বিচাৰি নেপায়। সমাজৰ এই ৰূপান্তৰৰ কাহিনী সুন্দৰভাৱে চিত্ৰিত হৈছে দীননাথ শৰ্মাৰ 'ভৰলীপাৰৰ কাহিনী' (১৯৮৫) নামৰ উপন্যাসখনত।

ভৰলী নদীক জীৱন্ত গোঁসানী জ্ঞান কৰি পৰম্পৰাগত চিন্তা-ভাৱনাৰে গাঁওবাসীয়ে এক শান্তিময় জীৱন অতিবাহিত কৰিছিল। মাধৱ দেৱালয়ৰ বৰপূজাৰী হিচাপে জগন্নাথ বৰঠাকুৰে সকলোৰে পৰা শ্ৰদ্ধা-সন্মান লাভ কৰিছিল। কিন্তু গাঁওবাসীৰ নিস্তৰংগ জীৱনত ভাৰতৰ স্বাধীনতা আন্দোলন আৰু তাৰ সমান্তৰালভাৱে অহা সংস্কাৰকামী চিন্তাই প্ৰচণ্ড ঢৌৰ সৃষ্টি কৰিলে। বৈজ্ঞানিক চিন্তাৰ প্ৰসাৰে নতুন পুৰুষক যুক্তিবাদী কৰি গঢ়ি তুলিলে। ভৰলীক কেন্দ্ৰ কৰি যি বিশ্বাস গাঁওবাসীৰ মাজত প্ৰসাৰিত হৈ আছিল, নতুন চামে সেইবোৰক কুসংস্কাৰ বুলি উৰুৱাই দিলে। বিজ্ঞানৰ অগ্ৰগতি, ভৰলীৰ ওপৰত দলং নিৰ্মাণ কৰা -ইত্যাদি বহুতো কথাই গাঁওবাসীক পূৰ্বাপৰ চলি অহা বিশ্বাসৰ পৰা আঁতৰাই নিলে। কিন্তু জীৱনৰ এক দীঘলীয়া পথ অতিক্ৰম কৰি অহা বৃদ্ধ মানুহবোৰে এই পৰিৱৰ্তনক সহজভাৱে গ্ৰহণ কৰিব নোৱাৰিলে। যুগ-যুগৰ আৰ্জিত সংস্কাৰক দলিয়াই পেলাব নোৱাৰাৰ ফলস্বৰূপে নতুন পুৰুষৰ লগত এওঁলোকৰ সংঘাত হ'ল। এই প্ৰজন্মগত সংঘাতে জগন্নাথ বৰঠাকুৰৰ দৰে বৃদ্ধ লোকসকলক জৰ্জৰিত কৰিলে। তেওঁলোকে সমাজ-জীৱনৰ পৰা বিচ্ছিন্ন হৈ দুখ-কষ্ট, হতাশাক গ্ৰহণ কৰি লবলগীয়া হ'ল। জীৱনৰ প্ৰতি এক অনাস্থাৰ ভাব গঢ়ি উঠিল-

"তেওঁৰ হয়তো মনত পৰি যায় ডেকাকালৰ কথা। চাওঁতে চাওঁতে কি মানুহ কি হৈ গ'ল। স্বীকাৰ নকৰিলেও জগন্নাথ বৰঠাকুৰে জানে, -- তেওঁ যেনেকৈ বুঢ়া হৈ আহিছে, স্থবিৰ হৈ আহিছে তেওঁৰ মন, সেইদৰে যুগৰ দেশৰো পৰিৱৰ্তন হৈ আহিছে। আজি আৰু তেওঁক কোনেও সমীহ কৰি নচলে। মাধৱ দেৱালয়ৰ বৰঠাকুৰ বুলি কোনেও খাতিৰ নকৰে, ভয় বা ভক্তি নকৰে। তেওঁ আৰু হুমুনিয়াহ নেপেলাই কি কৰিব।" (পৃষ্ঠা ৪৭৭)

উপন্যাসখনত জগন্নাথ বৰঠাকুৰে তেওঁৰ পুত্ৰ আৰু নাতিনী- এই দুটা প্ৰজন্মৰ সৈতে সংঘাতত লিপ্ত হ'বলগীয়া হৈছে। তেওঁৰ একমাত্ৰ পুত্ৰই বিজ্ঞানৰ যুগত সংস্কৃতৰ আৱশ্যকতা নাই বুলি উপলব্ধি কৰি ককাকে স্থাপন কৰা সংস্কৃত টোলত নপঢ়িলে। পুতেকে পিছত ঘৰ-সংসাৰক উপেক্ষা কৰি স্বাধীনতা সংগ্ৰামত যোগ দিয়াত বৰঠাকুৰে বিষম আঘাত পালে। ধৰ্মপথত থাকি সুখে-সন্তোষে গৃহস্থী ধৰ্ম পালন কৰা -এয়েই আছিল বৰঠাকুৰৰ যুগৰ পৰিচিত ধাৰণা। বৃহত্তৰ সমাজ-জীৱনক উদ্ধাৰৰ নামত নিজৰ জীৱন-যৌৱনক বলি দিয়া -এইবোৰ আছিল বৰঠাকুৰৰ দৃষ্টিত উদ্ভট চিন্তা। পুত্ৰৰ অকাল মৃত্যু বৰঠাকুৰে সহ্য কৰিব নোৱাৰিলে। পুত্ৰশোকত পত্নীৰো মৃত্যু হ'ল। বৰঠাকুৰ শোকত ভাগি পৰিল যদিও, যুৱতী বোৱাৰী আৰু নাতিনীয়েকৰ বাবে জীয়াই থাকিবলৈ সংকল্পবদ্ধ হ'ল। কিন্তু ৰিণী ডাঙৰ হৈ অহাৰ লগে লগে বৰঠাকুৰৰ মানসিক পৰিধিৰ পৰা তাই বহু দূৰলৈ গুচি গ'ল। বিজ্ঞান-প্ৰযুক্তিয়ে ৰিণিৰ চিন্তা-ভাৱনাক এক সুনিৰ্দিষ্ট ৰূপ প্ৰদান কৰিলে। ৰিণিয়ে বিচাৰিলে যুক্তিবাদী চিন্তাৰ আলোকত জীৱনক সহজভাৱে গ্ৰহণ কৰিবলৈ। দুয়োপক্ষই নিজৰ নিজৰ চিন্তা-ভাৱনাকে একমাত্ৰ সত্য বুলি ভাবি থাকিল। কোনো পক্ষই বুজাপৰাৰ মাজলৈ আহিব নিবিচাৰিলে। এই সংঘাত ইমান তীব্ৰতৰ হৈ উঠিল যে ৰিণিয়ে মাক আৰু ককাকৰ অজ্ঞাতে কলিকতালৈ গৈ 'অস্পৃশ্য' কৰ্ন্দপক বিয়া কৰাই ভাৰত চৰকাৰৰ জলপানীৰে বিদেশলৈ যাবলৈ ওলাল।

ৰিণিৰ লগত মাক আৰু ককাকৰ যি সংঘাত, সেই সংঘাত দৰাচলতে দুটা যুগৰ মাজৰ সংঘাত। যুগৰ পটভূমিত বিচাৰ কৰি চালে দুয়োটা পক্ষই শুদ্ধ। দুয়োটা পক্ষৰে সবল যুক্তি আছে। ইটো পক্ষই আনটো পক্ষক সহৃদয়তাৰে বুজিবলৈ চেষ্টা কৰিলে সমস্যা ইমান জটিল হৈ নপৰিলেহেঁতেন। ঔপন্যাসিকে কাৰো পক্ষ নলৈ এক নিৰাপদ দূৰত্বত অৱস্থান কৰিছে। ৰিণিৰ প্ৰগতিবাদী চিন্তা সমৰ্থনযোগ্য। কিন্তু মানুহ কেৱল যুক্তিবাদী হ'লেই নহয়, আনৰ অনুভূতিক সন্মান কৰাটোও প্ৰয়োজন। সকলো কথাতে ককাক আৰু মাকৰ বিৰুদ্ধাচৰণ কৰা ৰিণিৰ অভ্যাসতেই পৰিণত হ'ল। আনকি ককাকে মৰমতে থোৱা উমা নামটো সলাই ৰিণি কৰি ল'লে। সেইদৰে বৰঠাকুৰৰ দৰে ব্যক্তিয়ে এটা যুগৰ মাপকাঠিৰে আন এটা যুগক বিচাৰ কৰিবলৈ যোৱাটোও সঠিক হোৱা নাই। বলো বৰপূজাৰী নামৰ এজন বৃদ্ধকো উপন্যাসৰ কাহিনীৰ মাজলৈ অনা

হৈছে। বৰপূজাৰীবো সন্মান আৰু প্ৰতিপত্তি সময়ৰ লগে লগে নোহোৱা হৈ পৰিছে। কিন্তু এই লৈ তেওঁৰ মনত কোনো আক্ষেপ নাই। সময়ৰ পৰিবৰ্তনক তেওঁ স্বীকাৰ কৰি লৈছে। তেওঁৰ দৃষ্টিত পুৰণি আৰু নতুন -এই দুই চিন্তাধাৰাৰ মাজত ভাল-বেয়া দুয়োটাই আছে। তেওঁৰ যুগৰ সকলো কথাই যে ভাল-এনে নহয়। আনহাতে নতুন যুগৰ সকলো কথা বেয়া বুলিও তেওঁ মানি নলয়। তেওঁ সহনশীলতাৰে নতুন যুগৰ ন-চিন্তাক গ্ৰহণ কৰিব পাৰিছে বাবে বৰঠাকুৰৰ দৰে দুখত কাতৰ হৈ পৰা নাই। পৰিবৰ্তনক ৰোধ কৰা যিহেতু সম্ভৱ নহয়, তাৰ সৈতে নিজকে সমাযোজন কৰি লোৱাই শ্ৰেয়। অনাহকতে জীৱনটো দুখ-যন্ত্ৰণাৰে ভৰপূৰ কৰি লোৱাৰ কোনো যুক্তি নাই। এনে এক বাণীয়ে উপন্যাসখনিৰ মাজত ধ্বনিত হৈ উঠিছে।

দীননাথ শৰ্মাই তেওঁৰ উপন্যাসত প্ৰজন্মগত ব্যৱধানক বাস্তৱসন্মতভাৱে উপস্থাপন কৰিছে। চৰিত্ৰৰ মানসিক দ্বন্দ্বক কলাত্মকভাৱে উপস্থাপন কৰা বাবে পাঠকে অতি সহজে চৰিত্ৰবোৰৰ লগত অন্তৰংগতা স্থাপন কৰিব পাৰে। প্ৰতিটো যুগকে চুই যোৱা প্ৰজন্মগত সংঘাতৰ আঁৰত থকা কাৰণসমূহ ফঁহিয়াই চোৱাত উপন্যাস দুখনে সফলতা দাবী কৰিব পাৰে। সূক্ষ্ম পৰ্যবেক্ষণে প্ৰতিটো চৰিত্ৰ আৰু চৰিত্ৰটোৰ সৈতে সাঙোৰ খাই থকা পাৰিপাৰ্শ্বিকতাক সজীৱ কৰি তুলিছে। কাহিনী-কলাৰ সুবিন্যস্ত প্ৰকাশেও এই ক্ষেত্ৰত বৰঙণি যোগাইছে। মনস্তাত্ত্বিক অভিব্যক্তি প্ৰকাশ কৰাত ভাষায়ো শক্তিশালী ভূমিকা লৈছে। নিৰবধি সময়ৰ নিৰ্বাক দৰ্শকৰূপে ভৰলী নদীক প্ৰতীকাত্মক ৰূপত উপস্থাপন কৰাত কাব্যিক সংবেদনশীলতাৰ সাক্ষ্য পোৱা যায়। ❑

সূত্ৰ-সংকেত


১। Buheji, M, (2019), Alleviation of generation Gap Through Socio-Economic Issues Involvement. Review of European Studies; vol.11,No.4;2019

২। শৰ্মা, দীননাথ, উপন্যাস সমগ্ৰ, (২০১৪), প্ৰকাশক ভৱৰঞ্জন শৰ্মা।।



*(ঠিকনা- সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, বি এইচ মহাবিদ্যালয়, হাউলী, বৰপেটা- ৭৮১৩১৬, দূৰভাষ - ৯৯৫৪২৬৩৫১৬)*



*With best compliments from..*

nts

Necessities under one roof

**Nayantara**
SUPERMARKET

**A Venture of Boscon India Ltd.**

**Six Mile, G . S. Road,**
**Guwahati -781022**

**Phone: 0361-2332555, *E-mail:* nayantara@email.com**